জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৮১১/২০২০**

# মুখ্যমন্ত্ৰীৰ নিৰ্দেশক্ৰমে বিষ্ণুপ্ৰিয়া মণিপুৰী স্বায়তশাসিত পৰিষদ দাবী সমিতিৰ প্ৰতিনিধি দলৰ সৈতে বৈঠকত মিলিত হ'ল মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী

**দিছপুৰ, ২ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নিৰ্দেশক্ৰমে তেওঁৰ আইন উপদেষ্টা শান্তনু ভৰালীয়ে আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত বিষ্ণুপ্ৰিয়া মণিপুৰী স্বায়ত্তশাসিত পৰিষদ দাবী সমিতিৰ এটা প্ৰতিনিধি দলৰ সৈতে এক বৈঠকত মিলিত হয়। সমিতিৰ সভাপতি গোপীদাস সিনহাৰ নেতৃত্বত অহা দলটোৱে ইতিপূৰ্বে মুখ্যমন্ত্ৰীক প্ৰদান কৰা স্মাৰকপত্ৰৰ প্ৰসংগ উত্থাপন কৰি ৰাজ্যখনৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত বসবাস কৰা প্ৰায় ৫ লাখ জনসংখ্যাৰ বিষ্ণুপ্ৰিয়া মণিপুৰী জনগোষ্ঠীক স্বায়ত্তশাসন প্ৰদান কৰাৰ ন্যায্যতা সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টাগৰাকীক অৱগত কৰে। প্ৰতিনিধি দলটোৱে লগতে জনগোষ্ঠীটোক কেন্দ্ৰীয় অন্যান্য পিছপৰা শ্ৰেণীৰ মৰ্যাদা প্ৰদানৰ দাবীৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰে।

বৈঠকত মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টাগৰাকীয়ে কয় যে জনগোষ্ঠীটোৰ দাবীসমূহ পূৰণৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ আন্তৰিক সদিচ্ছা আছে। জনগোষ্ঠীটোৰ সকলো সমস্যা আলাপ-আলোচনাৰ মাধ্যমেৰে সমাধানৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব বুলিওঁ তেওঁ প্ৰতিনিধি দলটোক আশ্বাস প্ৰদান কৰে। নিজৰ ব্যস্ত ভ্ৰমণসূচীৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে আজিৰ বৈঠকত অংশ ল'ব নোৱাৰিলে যদিও অচিৰেই পুনৰ সমিতিৰ প্ৰতিনিধিসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ এখন বৈঠকৰ আয়োজন কৰা হ'ব বুলিও তেওঁ দলটোক জানিবলৈ দিয়ে।

আজিৰ বৈঠকত বিষ্ণুপ্ৰিয়া মণিপুৰী স্বায়ত্তশাসিত পৰিষদ দাবী সমিতিৰ উপদেষ্টা সুশীল কুমাৰ সিনহা, উপ-সভাপতিসকল ক্ৰমে বিজয় কুমাৰ সিনহা, ৰাজকুমাৰ সিনহা আৰু মনিন্দ্ৰ সিনহা, সাধাৰণ সম্পাদক জ্যোতিৰ্ময় সিনহাৰ লগতে সমিতিৰ অন্যান্য বিষয়ববীয়াসকল তথা মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**২/১২/২০২০**